**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

--------------------

১।	সিন্দূৰ অভিযান সন্দৰ্ভত আজি নতুন দিল্লীত সৰ্বদলীয় বৈঠক।
২।	জম্মু-কাশ্মীৰ সীমান্তত পাকিস্তানী সেনাৰ অপ্ৰৰোচিত গুলীবৰ্ষণৰ সেনাবাহিনীৰ যোগ্য প্ৰত্যুত্তৰ।
৩।	সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি অসমসহ দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন।
৪।	ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন। শেহতীয়া তথ্য অনুসৰি ৫৬ দশমিক ৭-১ শতাংশৰো অধিক ভোটদান। **আৰু**
৫।	ৰোহিত শৰ্মাৰ ততালিকে কাৰ্যকৰী হোৱাকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ।

০০০০০০

চৰকাৰে সিন্দূৰ অভিযান সন্দৰ্ভত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলৰ এই অভিযানৰ বিষয়ে অৱগত কৰিব। বিভিন্ন দলৰ নেতাই দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীসমূহে গ্ৰহণ কৰা ব্যৱস্থাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। বিৰোধী পক্ষই ইয়াৰ পূৰ্বে পেলেহগাম আক্ৰমণৰ পাছত চৰকাৰে গ্ৰহণ কৰা যিকোনো ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। সৰ্বদলীয় বৈঠক সন্দৰ্ভত নতুন দিল্লীৰ পৰা এয়া আমাৰ বিশেষ সংবাদদাতা সুপৰ্ণা শইকীয়া

**-বাইট-**

০০০০০০

যোৱা নিশা পাকিস্তানৰ সেনাই নিয়ন্ত্ৰণ ৰেখাত নিৰৱচ্ছিন্নভাৱে গোলাবৰ্ষণ কৰে। অৱশ্যে সেনাবাহিনীয়ে পাকিস্তানী সেনাই যুদ্ধ বিৰতি উলংঘা কৰি চলোৱা এই গোলাবৰ্ষণৰ যথাযোগ্য প্ৰত্যুত্তৰ দিয়ে। সেনাবাহিনীৰ সূত্ৰই জনোৱা অনুসৰি পাকিস্তানৰ সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ সমীপৰ কুপৱাৰা, বাৰামুলা, উৰি আৰু আখনুৰ অঞ্চলত গোলাবৰ্ষণ কৰে।

উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখা আৰু ভাৰত পাকিস্তান আন্তৰাষ্ট্ৰীয় সীমাৰ নিকটৱৰ্তী শতাধিক বাসিন্দাক সুৰক্ষাজনিত কাৰণত ইতিমধ্যে নিৰাপদ স্থানলৈ স্থানান্তৰ কৰা হৈছে।

০০০০০০

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কালি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালৰ নিৰ্দেশ অনুসৰি অসম সহ দেশৰ ২৫৯টা স্থানত

সতৰ্কতামূলক অনুশীলন চলোৱা হয়। ৰাজ্যখনৰ ৰাজধানী দিছপুৰ, গুৱাহাটীৰ বাকী অংশ, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিগবৈ, নাহৰকটীয়া, দুলীয়াজান, নাজিৰা, টিংখং, নামৰূপ, ৰঙিয়া, উত্তৰ লখিমপুৰ, বোকাখাট, নুমলীগড়, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰকে ধৰি ৰাজ্যৰ ২০টা স্থানত মকড্ৰিল অনুষ্ঠিত হয়।

গুৱাহাটী মহানগৰৰ কাহিলীপাৰাত দশম আৰক্ষী বেটেলিয়ন চৌহদত কালি বিয়লি সতৰ্কতামূলক অনুশীলন সম্পন্ন হয়।

শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিৰ লগতে আন দুটা স্থানত কালি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়। এই অনুশীলনৰ জৰিয়তে জৰুৰীকালীন অৱস্থাত ৰাইজ কিদৰে সুৰক্ষিত হৈ থাকিব পাৰে সেই বিষয়ে প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি কালি গোলাঘাট জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভগৰ দ্বাৰা জিলাখনৰ বি এছ এন এলৰ কাৰ্যালয়ৰ প্ৰাঙ্গন আৰু নুমলীগড় শোধনাগাৰ লিমিটেড প্ৰাঙ্গনত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ জিলাখনত ব্লেক আউট বা নিষ্প্ৰদীপ অনুশীলন কৰা হয়।

যোৰহাট জিলাতো কালি বিয়লি ৪ বজাৰ পৰা মকড্ৰিল অনুষ্ঠিত হয়। জিলাখনত সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ ব্লেকআউট অনুশীলন কৰা হয়।

ডিব্ৰুগড় নগৰৰ ক'ল ৰোডত এই সতৰ্কতামূলক অনুশীলন অনুষ্ঠিত হয়। এই অনুশীলনত অসম আৰক্ষী, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনীকে ধৰি বিভিন্ন বিভাগে জৰুৰীকালীন সময়ত সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

কামৰূপ, লখিমপুৰ আৰু কাৰ্বি আংলং জিলাতো কালি মকড্ৰিল অনুষ্ঠিত হয়।

এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ নিষ্প্ৰদীপ বা ব্লেক আউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হ'য়।

কোকৰাঝাৰত জিলা প্ৰশাসনে কোকৰাঝাৰ ৰে'ল ষ্টেচনত বিশেষ সতৰ্কতামূলক অনুশীলনৰ আয়োজন কৰে। এই অনুশীলনত অসামৰিক প্ৰতিৰক্ষা, আৰক্ষী, অগ্নি নিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ আৰু তথ্য আৰু জনসংযোগ বিভাগে অংশগ্ৰহণ কৰে।

অন্যান্য জিলাৰ লগতে বঙাইগাঁও জিলাতো কালি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়।

ধুবুৰী জিলা প্ৰশাসনে কালি বিয়লি ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত মকড্ৰীল অনুষ্ঠিত হয়। এই কাৰ্যসূচীত শিক্ষাৰ্থীসকলৰ লগতে সাধাৰণ নাগৰিকক যুঁজাৰু বিমানৰ চাইৰেণ বাজিলে তেওঁলোকে কি কৰিব লাগিব সেই সম্পৰ্কে পৰামৰ্শ দিয়া হয়।

০০০০০০

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ সম্পন্ন হয়। যোৱানিশালৈকে লাভ কৰা তথ্য অনুসৰি জিলাকেইখনত ৫৬ দশমিক

৭ - ১ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। অৱশ্যে ৰাজ্যিক নিৰ্বাচন আয়োগে ভোটদানৰ সামগ্রিক হাৰৰ চূড়ান্ত তথ্য এতিয়াও প্ৰকাশ কৰা নাই। কালি অন্তিম পৰ্যায়ত ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত ভোটগ্ৰহণ হয়। আমাৰ কেইবাখনো জিলাৰ সংবাদদাতাই ভোটদানৰ শেহতীয়া তথ্য প্ৰেৰণ কৰিছে। এই অনুসৰি বজালী জিলাত ৭৮ দশমিক ৮ - ৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। জিলাখনত ৭৩৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২৯৫ টা ভোটগ্ৰহণ কেন্দ্ৰত কালি সুকলমে ভোটগ্ৰহণ কৰা হয় বুলি আমাৰ সংবাদদাতাই জনাইছে। বৰপেটা জিলাত কালি পঞ্চায়ত নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। এই সন্দৰ্ভত জিলাখনৰ পৰা এয়া আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্ত –

**- ভইচ -**

একেদৰে নগাঁও জিলাত ৭৬ দশমিক ৯ -১ শতাংশ ভোটদাতাই আৰু মৰিগাঁও জিলাত ৭৭ দশমিক ৬ - ৬ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। কামৰূপ মহানগৰ জিলাত ৬৫ দশমিক ৫ - ৮ শতাংশ ভোটদান হয় বুলি জানিব পৰা গৈছে। জিলাখনৰ ২৬৬ টা ভোটগ্ৰহণ কেন্দ্ৰত কালি শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হয়। কামৰূপ জিলাৰ আমিনগাঁৱত কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ ভোটদান কৰে। মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলাৰ আঁহতগুৰিৰ মৰাকলং এল পি স্কুলৰ ভোটকেন্দ্ৰত ভোটদান কৰে। নগাঁও জিলাৰ বেঙেনাআটি প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। নিৰ্বাচন অনুষ্ঠিত জিলাকেইখনত বেলট বাকচসমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ষ্ট্ৰং ৰূমত ৰখা হৈছে। সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে ১১ মে'ত ভোটগণনাৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতাই জনোৱা মতে জিলাখনত ভোটগণনাৰ বাবে ১১০ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে। আজি জিলা পুথিভঁৰালত তেওঁলোকৰ প্ৰশিক্ষণ সম্পন্ন হ'ব। শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ মহাবিদ্যালয়, পাথাৰকান্দি সম জিলাৰ অকৈডুমৰ ইন্দোৰ ষ্টেডিয়াম আৰু ৰামকৃষ্ণ নগৰ মহাবিদ্যালয়ত ভোটগণনা কৰা হ'ব।

০০০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত প্ৰস্তাৱিত ন্যায়িক চৌহদৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কালি এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত উচ্চ ন্যায়ালয়ৰ নতুন ভৱন, কাৰ্যালয় ভৱন, বাৰ কাউন্সিল ভৱন, ন্যায়াধীশসকলৰ আৱাস, বিষয়া-কৰ্মচাৰীসকলৰ বাসভৱন, বাট-পথ নিৰ্মাণ আদিকে ধৰি বিভিন্ন দিশত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই বৈঠকতে ডিব্ৰুগড়ত প্ৰস্তাৱিত অসম বিধানসভা ভৱন, বিধায়ক আৱাস আৰু নতুন আৱৰ্ত ভৱনৰ কামৰ অগ্ৰগতিৰ বুজ লয়।

ইপিনে শিক্ষা বিভাগৰ বিভিন্ন আঁচনি পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে মহাবিদ্যালয়সমূহত বিনামূলীয়া নামভৰ্তিৰ ক্ষেত্ৰত আয়ৰ প্ৰমাণপত্ৰৰ সলনি ৰেচন কাৰ্ড গন্য কৰা হ'ব। নিযুত মইনা আঁচনিৰ বাবে নতুন পুৰণি সকলো শিক্ষাৰ্থীয়ে প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া নামভৰ্তি, মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি, প্ৰজ্ঞান ভাৰতী আঁচনি, ড০ বাণীকান্ত কাকতি কম্পিউটাৰ লিটাৰেচি প্ৰগেম, চাহ বাগিচাৰ বিদ্যালয়সমূহ কাৰ্যক্ষম

কৰা আৰু মহাবিদ্যালয়ৰ শিক্ষকৰ পদোন্নতিকে ধৰি বিভিন্ন বিষয় সম্পৰ্কত বিভাগীয় বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে।

০০০০০০

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ নামেৰে ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰটো নামকৰণৰ দাবীত ডিব্ৰুগড় প্ৰেছ ক্লাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত দেশৰ পূব প্ৰান্তত থকা এই বিমান বন্দৰটো আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ উন্নীত কৰাৰ লগতে বৰেণ্য শিল্পীগৰাকীৰ নামেৰে নামকৰণৰ দাবীত প্ৰেছক্লাবে জিলাখনৰ আয়ুক্তৰ জৰিয়তে স্মাৰক পত্ৰ প্ৰেৰণ কৰে। প্ৰধানমন্ত্ৰীৰ লগতে অসামৰিক বিমান পৰিবহণ মন্ত্ৰী, ডিব্ৰুগড়ৰ সাংসদ তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ডিব্ৰুগড়ৰ বিধায়ক তথা মন্ত্ৰী প্ৰশান্ত ফুকনলৈও এই পত্ৰ প্ৰেৰণ কৰা হৈছে। বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ নামেৰে বিমান বন্দৰটো নামকৰণৰ দ্বাৰা অসমৰ গৌৰৱ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা হ'ব বুলি প্ৰেছক্লাবে আশা প্ৰকাশ কৰিছে।

০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। কাইলৈ পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা অৰ্থাৎ ১১ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

ৰোহিত শৰ্মাই ততালিকে কাৰ্যকৰী হোৱাকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লৈছে। খেলুৱৈগৰাকীয়ে কালি সামাজিক মাধ্যম যোগে এই কথা ঘোষণা কৰে। ৰোহিত শৰ্মাই ৬৭ খন টেষ্টত ১২টা শতক আৰু ১৮টা অৰ্ধ শতকৰ সহায়ত ৪৭ দশমিক ৫-৭ গড় হাৰত ৪ হাজাৰ ৩০১ ৰান সংগ্ৰহ কৰিছে। ৩৮ বছৰীয়া খেলুৱৈগৰাকীয়ে এদিনীয়া ক্ৰিকেটত দেশক প্ৰতিনিধিত্ব কৰি যাব।

**-বাইট-**

০০০০০০

সেনা বাহিনীয়ে পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিক লক্ষ্য কৰি চলোৱা সিন্দূৰ অভিযান, পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ, ৰোহিত শৰ্মাৰ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে ভিন ভিন শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ

কৰিছে। **অসমীয়া প্ৰতিদিন** কাকতে সিন্দূৰ অভিযানেৰে মঙলবাৰে মাজনিশা ভাৰতে পেহেলগাম নৰসংহাৰৰ পোতক তোলাৰ বাতৰি ‘মাজনিশা সেনাৰ অপাৰেচন সিন্দূৰ ভাৰতৰ আক্ৰমণত পাকিস্তানত হাহাকাৰ’ শিৰোনামেৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক অসম** কাকতে সিন্দূৰ অভিযানৰ জেৰ টানি এই আক্ৰমণত সন্ত্ৰাসবাদী মৌলনা মাছুদ আজহাৰৰ ১০ জন নিকটাত্মীয় নিহত হোৱাৰ বাতৰি বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি পাকিস্তান আৰু নেপালৰ সীমামূৰীয়া ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপালৰ সৈতে উচ্চস্তৰীয় বৈঠকত মিলিত হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সিন্দূৰ অভিযান সন্দৰ্ভত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক বিতংভাৱে ব্যাখ্যা কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে ‘সেনাৰ নিখুঁত-সফল অভিযান দেশবাসীৰ বাবে গৌৰৱৰ ক্ষণ’ শিৰোনামেৰে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে কালি সম্পন্ন হোৱা পঞ্চায়ত নিৰ্বাচনৰ বাতৰিক আলোকচিত্ৰ সহকাৰে এংকৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ সীমান্তত পাকিস্তানী সেনাই কৰা ধাৰাসাৰ গুলীবৰ্ষণত ভালেসংখ্যক লোক হতাহত হোৱাৰ বাতৰি **অসমীয়া খবৰ** কাকতে ‘কাশ্মীৰ সীমান্তত পাক সেনাৰ ধাৰাসাৰ গুলীবৰ্ষণ- নিহত ১৫ নাগৰিক, আহত ৪৩’ শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে ‘India Strikes back’ শিৰোনামেৰে সিন্দূৰ অভিযান সম্পৰ্কীয় এটা আছুতীয়া বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে সন্ত্ৰাসবাদী সংগঠন জেইচ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজাহাৰে ভাৰতৰ মিছাইল আক্ৰমণত পৰিয়ালৰ ১০ জন সদস্য নিহত হোৱা বুলি স্বীকাৰ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত